**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত নীতি আয়োগৰ একাদশ পৰিচালনাৰ বৈঠকত সভাপতিত্ব কৰিব।

২। দেশৰ ১৪০ কোটি নাগৰিকৰ আশা-আকাংক্ষা নিশ্চিতভাৱে পূৰণ হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এৰ বৈঠকত প্ৰকাশ কৰে।

৩। কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হোৱাৰ বাবে অভিনন্দন জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে।

৪। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি আকাশবাণীৰ জয়পুৰত কেন্দ্ৰত ২০ কিলোৱাট ক্ষমতা সম্পন্ন এটা এফ এম ট্ৰান্সমিটাৰ মুকলি কৰিব। *আৰু*

৫। সাংস্কৃতিক মন্ত্ৰালয়ে সংগীত নাটক অকাডেমী ফেলশ্বিপ, সংগীত নাটক অকাডেমী বঁটা আৰু উস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰ ঘোষণা কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত নীতি আয়োগৰ একাদশ পৰিচালনাৰ বৈঠকত সভাপতিত্ব কৰিব। বিকশিত ভাৰতৰ বাবে প্ৰধানমন্ত্ৰীৰ **টীম ইণ্ডিয়া**ৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি এই বছৰৰ বিষয়বস্তু হৈছে— বিকশিত ভাৰতৰ বাবে সামগ্ৰিক মানৱ উন্নয়ন- ২০৪৭ ঃ বয়স, অঞ্চল, লিংগ বা আৰ্থসামাজিক পটভূমি নিৰ্বিশেষে প্ৰতিগৰাকী ভাৰতীয়ৰ কল্যাণ তথা উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ। পৰিচালনা পৰিষদৰ বৈঠকত এই দৃষ্টিভংগীক বাস্তৱায়িত কৰা আৰু ইয়াক দেশৰ প্ৰতিগৰাকী নাগৰিকৰ বাবে দৃঢ় তথা পৰিমাপযোগ্য ফলাফললৈ ৰূপান্তৰিত কৰাৰ বিষয়ে আলোচনা কৰা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দেশৰ ১৪০ কোটি নাগৰিকৰ আশা-আকাংক্ষা নিশ্চিতভাৱে পূৰণ হ'ব। তেওঁ কয়, যে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা, এন ডি এই সদায়েই ৰাষ্ট্ৰৰ আস্থা অধিক শক্তিশালী কৰি আহিছে। কালি সন্ধিয়া নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত এন ডি এৰ এখন বৈঠকত ভাষণ দি তেওঁ কয়, যে কংগ্ৰেছৰ বিশ্বাসঘাতকতাৰ পাছত দেশৰ জনসাধাৰণে এন ডি এ চৰকাৰক নিজৰ আস্থা অৰ্পণ কৰিছে। তেওঁ কয়, যে প্ৰথমবাৰৰ বাবে দেশৰ জনসাধাৰণে প্ৰত্যক্ষ কৰিছে যে যেতিয়া এখন চৰকাৰ সঠিক উদ্দেশ্যৰে পৰিচালিত হয়, তেতিয়া উন্নয়নো দ্ৰুতগতিত হয়। এন ডি এ চৰকাৰে এই ১২ বছৰত ২৫

কোটিতকৈও অধিক লোকক দৰিদ্ৰতাৰ কৱলৰ পৰা মুক্ত কৰাটোৱেই এই চৰকাৰৰ নীতিসমূহ শুদ্ধ আৰু ইয়াৰ দিশ সঠিক বুলি প্ৰতিফলিত কৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে দেশৰ জনসাধাৰণে ৰাষ্ট্ৰীয় পৰ্যায়ত ৰাজনৈতিক স্থিতিশীলতাৰ গুৰুত্ব বুজি পাইছে। তেওঁ উল্লেখ কৰে যে ২০১৪ চনৰ আগত দশকবোৰত দেখা দিয়া অস্থিৰতাই দেশখন যথেষ্ট ক্ষতিগ্ৰস্ত কৰিছিল, কিন্তু জনসাধাৰণ এতিয়া এখন সুস্থিৰ চৰকাৰৰ কাম-কাজৰ সাক্ষী হৈ ইয়াৰ নিৰ্ণায়ক সামৰ্থৰ শলাগ লৈছে।

শ্ৰীমোদীয়ে কয়, যে আজি দেশৰ প্ৰতিগৰাকী নাগৰিক বিকশিত ভাৰতৰ সপোনেৰে ভৰি আছে আৰু এই সপোন কোনো এজন ব্যক্তি, চৰকাৰ বাবে ৰাজনৈতিক দলতেই সীমাবদ্ধ হৈ থকা নাই। ই দেশৰ প্ৰতিজন ব্যক্তিৰ সপোন আৰু সংকল্পত পৰিণত হৈছে আৰু এই সপোন পূৰণৰ বাবে সকলোৱে প্ৰতিটো মুহূৰ্ত উৎসৰ্গা কৰিব লাগিব বুলিও তেওঁ কয়।

**ৰাইট (পি এম)**

যিসময়ত বিশ্বৰ প্ৰধান দেশসমূহৰ অৰ্থনীতিয়ে সংগ্ৰাম কৰি আছে, সেই সময়ত ভাৰতে ২০২৫-২৬ বৰ্ষত ৭ দশমিক ৭ শতাংশ বৃদ্ধিৰ হাৰ লাভ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে যোৱা ত্ৰৈমাসিকত ভাৰতৰ বৃদ্ধি ৭ দশমিক ৮ শতাংশ।

প্ৰধানমন্ত্ৰীয়ে আলোকপাত কৰে যে এন ডি এ চৰকাৰে মহিলা সংৰক্ষণ, তিনি তালাকৰ বিৰুদ্ধে আইন, কা আইন, ভাৰতীয় ন্যায় সংহিতা আৰু সৈনিকৰ বাবে ৰেংক ৱান পেন্সনকে ধৰি ৰাষ্ট্ৰীয় স্বাৰ্থৰ যিকোনো সিদ্ধান্ত ল'বলৈ কেতিয়াও কুণ্ঠাবোধ কৰা নাই। ৰাষ্ট্ৰীয় স্বাৰ্থত সাহসী সিদ্ধান্ত গ্ৰহণৰ এই প্ৰক্ৰিয়া অব্যাহত থাকিব আৰু অধিক দ্ৰুতগতিত আগবাঢ়ি যাব বুলি তেওঁ আশ্বাস দিয়ে।

শ্ৰীমোদীয়ে কয়, যে আজিৰ আকাংক্ষিত ভাৰত কাইলৈৰ উন্নত ভাৰতৰ নিশ্চয়তা। তেওঁ কয়, যে দেশৰ ডাঙৰ আকাংক্ষা আৰু সপোন আছে আৰু সেয়েহে ইয়াৰ সংকল্প আৰু লক্ষ্যও সমানেই বৃহৎ। মধ্যবিত্ত শ্ৰেণী এই আকাংক্ষাৰ চালিকা শক্তি বুলি মন্তব্য কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে জীৱন যাপনৰ সুচলতা, মান সম্পন্ন জীৱন যাপন আৰু নতুন নতুন সুযোগৰ সৃষ্টি কৰি তেওঁলোকৰ আশা পূৰণত মনোনিবেশ কৰিছে।

শক্তি খণ্ডৰ সন্দৰ্ভত শ্ৰীমোদীয়ে অতি সোনকালেই ৫০০ গিগাৱাট নৱীকৰণযোগ্য শক্তিৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে সৌৰশক্তি দ্ৰুতগতিত আগবাঢ়িছে যদিও পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰতো প্ৰচেষ্টা ত্বৰান্বিত কৰিব লাগিব। তেওঁ লগতে কয়, যে ভাৰতে সেউজ হাইড্ৰ'জেন আৰু সেউজ এম'নিয়াৰ দিশত যথেষ্ট অগ্ৰগতি লাভ কৰিছে।

ইয়াৰ পূৰ্বে কালি ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই ভাৰতৰ একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হোৱাৰ কৃতিত্ব অৰ্জন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে। জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত চৰকাৰে দি অহা গুৰুত্বৰ বিষয়ে আলোকপাত কৰি দুখীয়া জনসাধাৰণক প্ৰশাসনৰ কেন্দ্ৰত ৰখা হৈছে বুল প্ৰস্তাৱটোত উল্লেখ কৰা হয়। প্ৰস্তাৱটোত লগতে জনসাধাৰণৰ সৱলীকৰণৰ সবিশেষ বিৱৰণো অন্তৰ্ভুক্ত কৰা হৈছে।

এন ডি এ চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হোৱা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতৰ সৰ্বাধিক সময়ৰ বাবে অবিৰতভাৱে কাৰ্যনিৰ্বাহ কৰা প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱা উপলক্ষে এই বৈঠক অনুষ্ঠিত হয়।

অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে এই প্ৰস্তাৱ আগবঢ়াই কয়, যে ভাৰতৰ সৰ্বাধিক সময়ৰ বাবে অবিৰতভাৱে কাৰ্যনিৰ্বাহ কৰা প্ৰধানমন্ত্ৰী মোদীলৈ এয়া এক ঐতিহাসিক সন্মান।

সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এৰ মুখ্যমন্ত্ৰী আৰু নেতাসকলক তেওঁলোকৰ আন্তৰিক শুভেচ্ছাৰ বাবে ধন্যবাদ জনায়। তেওঁ কয়, যে ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু আঞ্চলিক আকাংক্ষাক আগুৱাই নিয়াৰ বাবে এন ডি এৰ যাত্ৰাক পাৰস্পৰিক বিনিময়ৰ সংকল্পৰ দ্বাৰা সংজ্ঞায়িত কৰা হৈছে। এন ডি এই ৰাষ্ট্ৰ আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ সেৱাত নতুন শক্তিৰে কাম কৰি যাব বুলি তেওঁ কয়।

এই বৈঠকত বিজেপিৰ সভাপতি নীতিন নবীন, টিডিপিৰ মুৰব্বী চন্দ্ৰবাবু নাইডু, জে ডি ইউৰ নেতা সঞ্জয় ঝা, শিৱসেনাৰ মুৰব্বী একনাথ সিন্দে, এল জে পিৰ নেতা চিৰাগ পাছৱানকে ধৰি আন আন মন্ত্ৰী আৰু নেতাসকল উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল’নি, মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিম, জাৰ্মানৰ চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জ, কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নি আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুক তেওঁলোকৰ আন্তৰিক শুভেচ্ছা আৰু বাৰ্তাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল’নিক ধন্যবাদ জ্ঞাপন কৰি কয়, যে ভাৰত-ইটালী বিশেষ কৌশলগত অংশীদাৰিত্বৰ শক্তিশালী গতিবেগক দুয়োখন ৰাষ্ট্ৰৰ পাৰস্পৰিক লাভৰ বাবে গঢ়ি তুলিবলৈ তেওঁ আগ্ৰহী। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমক ধন্যবাদ জ্ঞাপন কৰি তেওঁ কয়, যে ভাৰত আৰু মালয়েছিয়াৰ মাজৰ শক্তিশালী তথা চিৰস্থায়ী বন্ধুত্বক তেওঁ গভীৰভাৱে মূল্য দি দুয়োখন দেশৰ জনসাধাৰণৰ সুবিধাৰ্থে অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ বাবে মালয়েছিয়াৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিবলৈ আগ্ৰহী। জাৰ্মানৰ চেঞ্চেলৰ ফ্ৰেড্ৰিক মাৰ্জক ধন্যবাদ জনাই যে ভাৰত-জাৰ্মানৰ কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰি দুয়োখন দেশৰ জনসাধাৰণৰ সুবিধাৰ্থে মূল ক্ষেত্ৰসমূহত সহযোগিতা গভীৰ কৰাৰ বাবে ভাৰত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

শ্ৰীমোদীয়ে কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিক আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুক ধন্যবাদ জ্ঞাপন কৰি দুয়োখন দেশৰ অংশীদাৰিত্ব আৰু বন্ধুত্বই জনসাধাণৰ সুবিধাৰ্থে নতুন উচ্চতা লাভ কৰি যাব বুলি আশা প্ৰকাশ কৰে।

০০০০০

ৰেলৱে, তথ্য আৰু সম্প্ৰচাৰ, ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এদিনীয়া ভ্ৰমণসূচীৰে আজি জয়পুৰত উপস্থিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আকাশবাণীৰ জয়পুৰ কেন্দ্ৰত উপস্থিত হৈ ভাৰ্চুৱেল মাধ্যমেৰে জয়চলমেৰ জিলাৰ ৰামগড়ত এটা ২০কিলোৱাট ক্ষমতাসম্পন্ন এফ এম ট্ৰানচমিটাৰ মুকলি কৰিব। প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ প্ৰাচোন যোশীও অনুষ্ঠানত উপস্থিত থাকিব। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে জয়পুৰৰ মালৱিয়া ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বিয়লি মন্ত্ৰীগৰাকীয়ে জয়পুৰৰ কৃষি গৱেষণা কেন্দ্ৰত আয়োজিত বিকশিত ভাৰত সংকল্প সমাৰোহত ভাষণ প্ৰদান কৰিব

০০০০০

সাংস্কৃতিক মন্ত্ৰালয়ে ২০২৪ আৰু ২০২৫ বৰ্ষৰ সংগীত নাটক অকাডেমী জলপানি (অকাডেমী ৰত্ন), সংগীত নাটক অকাডেমী বঁটা আৰু উস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰ ঘোষণা কৰিছে। সাধাৰণ পৰিষদে সংগীত, নৃত্য, থিয়েটাৰ, লোকগীত, লোকনৃত্য, পৰম্পৰাগত গীত-নৃত্য, জনজাতীয় সংগীত-নৃত্য, নাটক আৰু পুতলা নাটকৰ বাবে বিভিন্ন ক্ষেত্ৰৰ ১০৮জন শিল্পীক নিৰ্বাচিত কৰিছে। দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ পৰা শিল্পী তথা বঁটাপ্ৰাপকসকলক নিৰ্বাচিত কৰা হৈছে। লগতে অকাডেমীৰ সাধাৰণ পৰিষদে ২০২৪-২৫বৰ্ষৰ সংগীত নাটক অকাডেমী আৰু উস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰৰ বাবে ১০৬জন যুৱ শিল্পী বাছনি কৰিছে।

মন্ত্ৰালয়ে জনোৱা মতে, উস্তাদ বিছমিল্লাহ খান যুৱ পুৰস্কাৰত এখন তাম্ৰপত্ৰ, এখন অংগবস্ত্ৰৰ লগতে ২৫ হাজাৰ টকা প্ৰদান কৰা হ'ব। অকাডেমীৰ জলপানিৰ বাবে নিৰ্বাচিত শিল্পীসকলে তাম্ৰপত্ৰ আৰু অংগবস্ত্ৰৰ লগতে তিনিলাখ টকা লাভ কৰিব। সমান্তৰালকৈ অকাডেমী বঁটা প্ৰাপক শিল্পীসকলক তাম্ৰপত্ৰ আৰু অংগবস্ত্ৰৰ লগতে ১ লাখ টকাকৈ প্ৰদান কৰা হ'ব।

ˉ০০০০০

বৈদেশিক মন্ত্ৰী ড০ এছ জয়শংকৰে কালি ছফিয়াত বুলগেৰিয়াৰ প্ৰধানমন্ত্ৰী ৰুমেন ৰাদেৱক সাক্ষাৎ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ভাৰত-বুলগেৰিয়া কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰি তুলিব পৰা নতুন সুযোগসমূহৰ ওপৰত আলোকপাত কৰে। ক্ৰমাৎ অস্থিৰ হৈ পৰা বিশ্বক বিপদমুক্ত কৰি তোলা আৰু বৈচিত্ৰ্যতা সৃষ্টিৰ বাবে ঘনিষ্ঠ দ্বিপাক্ষিক সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰতো মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে।

সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয় যে তেওঁলোকে বাণিজ্য আৰু বিনিয়োগ, ঔষধ, অৰ্ধপৰিবাহী, কৃত্ৰিম বুদ্ধিমত্তা, মহাকাশ, প্ৰতিৰক্ষা, গতিশীলতা, পৰ্যটন, আৰু সৃষ্টিশীল মনোৰঞ্জন উদ্যোগৰ ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়ে আলোচনা কৰে। পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু বিশ্বব্যাপী বিষয়সমূহৰ ওপৰতো নেতাদুগৰাকীয়ে মত বিনিময় কৰে। ইয়াৰ পূৰ্বে ড° জয়শংকৰে ছফিয়াৰ ৰাষ্ট্ৰীয় ঐতিহাসিক সংগ্ৰহালয় পৰিদৰ্শন কৰে। আজি ড০ জয়শংকৰে ফিনলেণ্ড ভ্ৰমণ কৰি চতুৰ্দশ সংস্কৰণৰ কুলটাৰন্তা আলোচনাত অংশগ্ৰহণ কৰিব।

০০০০০

সমাপ্ত